তৃতীয় অধ্যায়

# বিহুগীত আৰু অই নিঃতমত প্ৰতিফলিত অসমৰ প্ৰকৃতি

## তৃতীয় অধ্যায়

# বিহুগীত আৰু অই নিঃতমত প্ৰতিফলিত অসমৰ প্ৰকৃতি

মনৰ ভাৱ, আনন্দ প্ৰকাশ কৰিবৰ বাবে চহা ডেকা-গাভৰুৱে মুখে মুখে ৰচনা কৰা নামসমূহ হ'ল বিহুগীত। পৰম্পৰাগতভাৱে প্ৰচলিত ৰঙালী বিহুৰ ভাগ দুটা, চ'তৰ বিহু আৰু বহাগৰ বিহু। অধিক বিস্তাৰিতভাৱে ইয়াৰ সাতোটা নাম উল্লেখ কৰা হয়। বিশেষভাৱে চ'তৰ বিহু আৰু ব'হাগৰ বিহুত গোৱা নামসমূহকে 'বিহুনাম' বুলি ধৰা হয়। চ'তৰ বিহুৰো দুটা অংশৰ কথা উল্লেখ কৰিব পাৰি - গাভৰু বিহু আৰু ডেকা-গাভৰুৰ বিহু। স্বাধীনভাৱে হৃদয়ৰ দুৱাৰ মুকলি কৰি মনৰ ভাৱ প্ৰকাশ কৰা, অসমৰ চহা ডেকা-গাভৰুৰ মুখেদি নিগৰি ওলোৱা বিহুগীতবোৰ অসমৰ জাতীয় জীৱনৰ অমূল্য সম্পদ। দূবৰি বন গচকি গৃহস্থৰ চোতালত হুঁচৰি গাবলৈ ল'ৰা-বুঢ়া, ডেকা-গাভৰুসকলে মিলি গোৱা বিহুনাম আৰু মুকলি আকাশৰ তলত গাভৰুসকলে ওচৰা-ওচৰি হৈ চ'তৰ বিহু মাৰোঁতে, গৰু-ম'হ চৰাওঁতে গোৱা বিহুগীতখিনিৰ মাজত (গৰু-ম'হ চৰাওঁতে অকলে গোৱা, প্ৰেমৰ পাকঘূৰণিত পৰি গোৱা নামখিনিক বনঘোষা বা হৰিনাম বুলি পৰিচয় কৰোৱা হৈছে।) বিচাৰিব জানিলে বহু মণি-মুকুতাই পোৱা যায়। প্ৰাচীন কালত লোকনামসমূহক 'নাম' হিচাপে কোৱা হৈছিল। যদিও আধুনিক কালত 'নাম'ৰ লগতে 'গীত' বুলিও প্ৰচলিত হ'বলৈ ধৰে। সেয়ে বিহুনামক বিহুগীত বুলিও কোৱা হয়। এই বিহুনাম বা বিহুগীত সম্পৰ্কে মহেশ্বৰ নেওগে কৈছে — 'বহাগৰ বিহুৰ সময়ত অসমৰ পথাৰ-সমাৰ, হাবি-বননি, ঢোল-পেঁপাৰ মাতৰ লগতে কিছুমান গীতেৰে মুখৰিত হৈ উঠে। তাৰে কিছুমান বিহুৰ হুঁচৰিৰ লগত মানুহৰ ঘৰে ঘৰে গোৱা হয়। এইবোৰকে ঠিক বিহুনাম বুলিব পাৰি। মুগাৰ বটিয়াৰ নশ গাঁথনিয়ে সৰিয়হ পিছলি যোৱা বৰচ'ৰাৰ মুখলৈ ওলোৱা কাণৰ পৰা জাংফাই আৰু লগত গোমচেঙৰ চোলাৰে ডাঙৰীয়াক বিহুৰ ববীয়াকৈ চিকাৰতো খোজা, ভিতৰৰ গাভৰুহঁতৰ পৰা ফুলাম গামোচা খোজা আদি নিৰ্দোষ ধেমালিৰে এই বিহুনামৰে ভৰপূৰ। বনৰীয়া বনগীতবোৰ ঘাইকৈ যৌৱনৰ উন্মাদনাৰ কলা ৰং, গতিকে বসন্তৰ উন্মাদনাই সিহঁতৰ ঘাই অনুপ্ৰেৰণা। অৰশ্যে নৈসৰ্গিক কবিতা সিবোৰত নাই। কিন্তু উদ্ভিন্ন নৱ যৌৱনৰ দৰে নৈসৰ্গিক সৌন্দৰ্যই যুৱক-যুৱতীৰ

অন্তৰত নিতাল মাৰি থকা যি সৌন্দর্যবোধ জগাই দিয়ে, সি চকু মেলি অনুভৱ কৰে অন্তৰৰ কিবা এটি কৰুণ তৃষ্ণা আৰু বাহিৰৰ যৌৱনৰ সৌন্দর্যৰ স্পন্দন। এই গীতবোৰ দেহৰ সংযমহীন ক্ষুধা, কাম প্রপঞ্চৰ বাসনা-পূজাক অতি স্বাভাৱিকতাৰে প্ৰকাশ পোৱা দেখা যায়, 'মিলনৰ বেজেৰুৱা তৃপ্তি' (Love's sad satiety)ৰ বতৰা ইয়াত নাই। বিৰহৰ অৱস্থাতে অতি বিশুদ্ধ কবিতা আৰু আকাশলংঘী কল্পনা মূৰ্ত হৈ উঠে। বনৰীয়া ডেকা ইমান মোহত অন্ধ যে 'বনৰ বনে পহু যোৰা পাতি' থকা দেখি স্বকীয় এক প্রেম দর্শন আৱিস্কাৰ কৰিছে; সেই উৎকট দর্শনত প্রেম আৰু মিলনেই একমাত্র সোণালী আখৰা। ঈর্ষা-দ্বেষৰ আক্রমণৰ মাজত এই প্রেমত স্বাৰ্থৰ গোন্ধো বৰ বেছি। ইয়াৰ কাৰণ অৱশ্যে ডেকাহঁতৰ মনত জ্ঞানৰ বা আধ্যাত্মিকতাৰ পোহৰ নপৰাটো। মনত নপৰা কালৰ পৰা এই গীতবোৰ ৰচিত হৈ আহিছে আৰু আজিও হয়তো সভ্যতাৰ কল্লোলৰ বহুত আঁতৰত তেনে গীত ৰচিত হৈছে।[১]

সত্যেন্দ্র নাথ শর্মাই 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্রন্থত বিহুগীতৰ ওপৰত উল্লেখ কৰে '...বিহুগীতৰ ভিতৰত হুঁচৰি গীত আৰু বনগীত দুয়োবিধ অন্তর্ভুক্ত। ব'হাগ বিহুত গাঁৱৰ ৰাইজে ঢোল, পেঁপা, তাল আদি লৈ প্রত্যেক গৃহস্থৰ ঘৰত সামূহিকভাৱে গোৱা বিহুৰ গীতেই হুঁচৰি গীত। এই গীতবোৰ সাধাৰণতে যৌনভাৱ বর্জিত গহীন গীত। ঈশ্বৰৰ নামেৰে এই গীত আৰম্ভ কৰা হয় আৰু সমূহ ৰাইজৰ মাজত গাব পৰা, অশ্লীলতা নথকা বিহুনামেৰে নৃত্য-গীত কৰা হয়।

১। *কৃষ্ণাইৰ মূৰতে বকুল ফুল এপাহি*
*নিয়ৰ পাই মৰহি যায় - গোবিন্দাই ৰাম।*

২। *স্বর্গদেউ ওলালে বাটচ'ৰাৰ মুখলৈ*
*দুলীয়াই পাতিলে দোলা।*
*ৰূপত জিলিকিলে নৰা জাঙেফাই*
*গাতে গোমচেঙৰ চোলা।।*

১। নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ. ২০

আনহাতে বনগীতবোৰ প্ৰধানকৈ উদ্দাম যৌৱনৰ যৌন বাসনাৰ উন্মুক্ত প্ৰকাশ; এইবোৰ সাধাৰণতে বিহুতলিত, মুকলি পথাৰত অথবা নির্জন বনস্থলীত গোট খাই গোৱাৰ নিয়ম আছিল। সেই কাৰণেই ইয়াৰ অন্য নাম বনঘোষা বা বনগীত।[২]

ৰঙালী বিহু উৎসৱ উপলক্ষে এই গীত নৃত্যৰ লগত গোৱা হয়। বিহু উৎসৱ দৰাচলতে ঋতু উৎসৱ। ব'হাগ বিহু বসন্ত উৎসৱৰে এটি অসমীয়া অভিব্যক্তি। বসন্তৰ আগমনৰ লগে লগে প্ৰকৃতিয়ে যৌৱন শোভা ধাৰণ কৰে। মলয়াৰ মৃদু বায়ু, কোকিলৰ গুঞ্জন, পাদর্পলতাৰ শ্যামল শোভা, বাৰিষাৰ আগমনসূচক মেঘৰ গুৰু-গম্ভীৰ ধ্বনিয়ে প্ৰকৃতি জগতত মাদকতাৰ সৃষ্টি কৰে। প্ৰকৃতি শস্যসম্ভৱা হয়। এই প্ৰকৃতিগত বাস্তৱ সত্যই পথাৰৰ বা বিহুতলিৰ ডেকা-গাভৰুৰ নৃত্য-গীতৰ জৰিয়তে প্ৰতীকৰ ৰূপ লয়। উদং পথাৰৰ বুকুত ডেকা-গাভৰুৱে যৌৱনৰ নাচ নাচে, সৃষ্টিৰ অংকুৰ সিঁচে। এই কাৰণেই বিহুগীতবোৰৰ প্ৰধান সুৰ হ'ল প্ৰণয়। যৌৱনৰ উদ্দাম বাসনা, মিলনৰ তীব্ৰ আকাংক্ষা, বিৰহৰ উত্তাপ, প্ৰেমৰ আকুতি আৰু কমোৱা তুলাৰ দৰে উৰি ফুৰা মনৰ সম্যক প্ৰকাশ বিহুগীতবোৰত দেখা যায়। প্ৰকৃতিৰ বুকুত লালিত-পালিত হোৱা, প্ৰকৃতিৰ বুকুৰ পৰাই জীৱনৰ ৰস আহৰণ কৰা চহা ডেকাৰ প্ৰণয়সুলভ সৃষ্টিত প্ৰকৃতি দেৱীৰ মানৱীয় কার্যকলাপ বা ঘটনাৰ কেৱল পটভূমিয়েই নহয়, প্ৰকৃতি অতি আপোন আৰু মৰমৰ। বিহুগীতত পৌৰুষৰ চিত্ৰ, জীৱন যুদ্ধত ক্ষত-বিক্ষত হোৱা হৃদয়ৰ চিত্ৰ নাই; প্ৰেম-প্ৰীতি, হা-হুমুনিয়াহৰ কোমল চিত্ৰহে পোৱা যায়। বিহুগীতবোৰে গ্ৰাম্য কৃষক জীৱন প্ৰতিফলন কৰে। জনজাতীয় (Tribal) স্তৰত আৰম্ভ হৈ সামন্ত যুগ অতিক্ৰম কৰি বিহুগীতবোৰে বিভিন্ন সময়ৰ স্মৃতি বহন কৰি আহিছে যদিও গ্ৰাম্য কৃষক জীৱনৰ মৌলিক গঠনটো অব্যাহত ৰাখিছে। স্বৰ্গদেউ, ডা-ডাঙৰীয়াই মাজে মাজে দুই এঠাইত ভুমুকি মাৰিছে যদিও সেইবোৰ বিহুগীতত ক্ষণিকৰ অতিথি মাথোন। সামন্ত যুগীয়া শ্ৰেণী ভেদৰ পাইক-বনুৱা বিষয়া-ডাঙৰীয়া শ্ৰেণীগত বৈষম্যৰ গভীৰ আঁচোৰ বিহুগীতত পৰা নাই।

১। *'বিহু আনন্দীয়া বিহু বিনন্দীয়া*
*বিহুৰ মৌ মিঠা মাত।*
*বিহুৰ বা লাগি বিহুৱা ককাই ঐ*
*তৰণি নাইকিয়া গাত।'*

২। শৰ্মা, সত্যেন্দ্ৰ নাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ. ২৯

২। *‘বিহুৰে বিৰিণা পাতে সমনীয়া*

*বিহুৰে বিৰিণা পাত।*

*বিহু থাকে মানে বিহুকে বিনাবা*

*বিহু গ'লে বিনাবা কাক।’*

৩। *‘চ'তে গৈয়ে গৈয়ে ব'হাগে পালেহি*

*ফুলিলে ভেবেলি লতা।*

*কৈনো থাকো মানে ওৰকে নপৰে*

*ৰঙালী বিহুৰে কথা।’*[৩]

বিহুগীতৰ প্ৰকৃতিত ওপৰত গিৰীশ বৰুৱাই উল্লেখ কৰিছে এইদৰে — ‘...ইংৰাজী সাহিত্যৰ ‘বেলাড’ আৰু চচাৰৰ কবিতাবোৰৰ দৰে আমাৰ বিহুগীতসমূহত ‘প্ৰকৃতিৰ শোভা’ত ল'ৰালিৰ সৰল আনন্দ আৰু সৰলচিতীয়া প্ৰাণীৰ সৰল বিমল নৈসৰ্গিক সন্তোষ দেখিবলৈ পাওঁ।’[৪]

অসমৰ প্ৰকৃতি অনুপম। আমাৰ গছ-লতাকেইডাল, পথাৰকেইখন, নৈকেইখন, অসমৰ ভূগোল-বুৰঞ্জী, অসমীয়াৰ ৰুচি-অভিৰুচি, পিন্ধন-উৰণ, অসমীয়া নাৰীৰ ৰূপ-লাৱণ্য, শিল্প-নৈপুণ্য - এই গোটেইবোৰেই বিহুনাম, হাবিনাম বিলাকৰ মাজত বিচাৰি পোৱা যায়।

বনঘোষা উদ্দাম যৌৱনৰ গীতব্যঞ্জক অভিব্যক্তি। মুক্ত পৰিবেশ, উন্মুক্ত আবেগক আৰু বহল উৰুঙা পথাৰখনৰ প্ৰতিধ্বনিবোৰেই বনঘোষাৰ জন্ম। হাবি নামতে হওক বা বিহু নামতে হওক অনেক সময়ৰ প্ৰতীকৰ ব্যৱহাৰ কৰা যায়। ‘সৰিয়হ জনম লৈ বেটেৰী চেপালৈ কেলেই কৰিছা ভয়’ এনে প্ৰতীকৰ, এনে ব্যঞ্জনাৰ বনঘোষা বা হাবিনামে যৌৱন ধুনীয়া কৰে। এই যোৱনৰ পৰশত গোটেই পৃথিৱীখনেই ধুনীয়া হৈ যায়। বিহুনামবোৰ সংগ্ৰহ কৰা হৈছে, কিন্তু আটাইবোৰ হাবিনাম সংগ্ৰহ হোৱা নাই আৰু সংগ্ৰহ কৰি হাবিৰ পৰা মানুহৰ মাজলৈ আনিবও নোৱাৰি। হাবিৰ ফুল হাবিতে জন্মি হাবিতে শেষ হৈ গৈছে।

---

৩। চিৰিং, বুলন ঃ যৌৱনৰ পথিক বিহুনাম, পৃ. ১০৮, ১১৫

৪। বৰুৱা, গিৰীশ ঃ সংস্কৃতিৰ ৰূপে বিহু, পৃ. ২২

নকুল চন্দ্ৰ ভূঞাৰ 'বহাগী' নামৰ বিহুনামৰ সংগ্ৰহটিৰ পাতনিত পদ্মধৰ চলিহাই লিখিছিল - 'কোনো এটি যুগৰ সাহিত্য সেই যুগৰ সমাজৰ দাপোন স্বৰূপ। এই গৰখীয়া গীতবিলাকত পুৰণি অসমীয়া গাঁৱলীয়া জীৱনৰ সুখ-দুখ, আশা-ভয়, আদৰ্শ-আকাংক্ষা প্ৰভৃতিৰ এটি জ্বলন্ত চিত্ৰ দেখিবলৈ পোৱা যায়। এই চিত্ৰত কি দেখে! প্ৰথমে সৰল শান্তিময় জীৱনৰ চানেকি; দ্বিতীয়তে প্ৰকৃতি ৰাজ্যৰ সৈতে মানৱ ৰাজ্যৰ ঘনিষ্ঠ সম্বন্ধ; তৃতীয়তে দৈৱশক্তিত অটল বিশ্বাস।'[৫]

বিহুগীত বিলাকত প্ৰকৃতি ৰাজ্যৰ সৈতে মানৱ ৰাজ্যৰ ঘনিষ্ঠ সম্বন্ধ স্থাপন হোৱা পৰিলক্ষিত হয়। অসমৰ অনুপম প্ৰকৃতিৰ ৰূপ-লাৱণ্যৰ কথা বিহুনামত প্ৰকাশ হৈছে। আমাৰ চিৰপৰিচিত বৰগছ কেইজোপা, য'ত চ'তৰ বিহুৰ খোলাখন পতা হৈছিল, বিহুনামত জিলিকি আছে —

*'আঁহো বৰতলে যাওঁ বৰতলে, বৰৰে ঢপলা পাত।*

*বৰৰে তলতে মোকে নোজোকাবি, ওলাব মইনা মাত।।'*

আঁহত গছকেইজোপাও ডেকা-গাভৰুৰ চিনাকি -

*আঁহতে সলালে পাত।*

*আমাৰ আইদেৱে বৰণটি সলালে*

*মুগা ৰিহা লগালে গাত।।'*

মুগা ৰিহা লগাই গাভৰুজনী ধুনীয়া হোৱাৰ নিচিনাই বসন্তৰ পৰশত আঁহতে পাত সলালেও দেখাত বৰ সুন্দৰ হৈ পৰে -

*'বৰ্হমপুত্ৰৰ পাৰৰে বৰ্হমথুৰি এজুপি, আমাৰ খৰি লুৰা ঠাই।*

*বাৰীৰে ঢাপৰে জাতি বাঁহ এজুপি, সিও মোৰ সোদৰৰ ভাই।'*

*'নৈলৈ হালিলে গজালি ভলুকা*

*হালে পথাৰলৈ কাক'*

*চ'তৈকৈ মহীয়া নাহৰ ফুল ফুলিলে*

*ব'হাগত পেলালে কলি।'*

৫। ভূঞা, নকুল চন্দ্ৰ ঃ বহাগী, পাতনি।

'চতিয়নাৰ ওপৰে বেলি ঘূৰে দুপৰে, মেলেঙত গধূলি হ'ল, জৰিৰে তলতে খৰি লুৰিছিলোঁ, আঁজুৰি ছিঙিলো লতা', আঁহো এৰি এৰি যাওঁ এৰি এৰি এৰাগছত মাতিলে জিলী', লগৰীয়া বগৰী খায় ঐ লাহৰি, লগৰীয়া বগৰী খায়, ভঁৰালৰ টুপতে কেৰেলা বগাব, কোমোৰা বগাব চালত', 'নতুন হেদামৰ এটা আলু কচু, চেনাইলৈ টোপোলা বান্ধো', 'তৰানি হাবিলৈ চাইনো পঠিয়ালো, তৰা তিৰিবিৰি কৰে', 'জেনেৰু চকলা জিমে সুমথিৰা, জেনেৰু চকলা জিম, নৈৰে পাৰৰে সোধাকৈ শিমলু , গোৰ মাৰি ভাঙি যাম ডাল', 'কঁঠালে পেলালে মুচি সমনীয়া, কঁঠালে পেলালে মুচি, আমে মলিয়ালে চামে মলিয়ালে, কুলিয়ে মাতিলে ডালত', 'উৰিয়াম কাঠৰে নাও নেকাটিবা, গুৰি পোনাবলৈ টান', 'কাউৰী ঠেকেৰা সৰিল ঐ লাহৰি, পকি নেমুটেঙা সৰিল', 'মাকৰী ঘিলাৰে ফাঁক ঐ লাহৰি, মাকৰী ঘিলাৰে ফাঁকা', 'আঠিয়া কলৰে পাতে নাকাটিবা, ছিটিকি পৰিব এঠা', 'কলীয়া খাগৰি কাট ছেৱ কৰি, কুন্দত কাটিলি কেৰু', 'ধনে দি পঠিয়াই লঙে ডালচেনি, আমি দি পঠিয়াম কি?', 'নাচনীৰ চকুলৈ চাবকে নোৱাৰি, জালুক জলকীয়াই পোৰে', 'উৰে গছতে মৌৰে বাহ ল'লে, ককাই পাৰি দিয়া খাওঁ', 'নৈৰ কাষৰীয়া মাটি তাকৰীয়া, বেঙেনাৰ ঢপলা পাত', 'জিকাফুল ফুলিলে জগতে জানিলে, বৰটেভা ফুলিব ক'ত' এই প্ৰতিষাৰ নামতে অসমত গজালি মেলা গছ-লতাকেইডালৰ কথা উল্লেখ কৰা হৈছে। কোনোষাৰ নামত উল্লেখ কৰা হৈছে উপমা হিচাপে, কোনোষাৰ নামৰ প্ৰথম চৰণত উল্লেখ কৰা হৈছে।

অসমৰ গছ-লতিকাকেইডালৰ নিচিনাকৈ বহল বহল পথাৰকেইখনো প্ৰেমিক ডেকা-গাভৰুহঁতৰ চিনাকি। এইকেইখনক পথাৰতে সিহঁতে হাল-কোৰ মাৰিছে, ৰুইছে, দাইছে; তাতে ইজনে সিজনক লগ পাইছিল। নহ'লেনো কেনেকৈ গাব বোলে -

*'বহলকৈ পথাৰত ধানে দাইছিলা,*
*মুঠি বান্ধিছিলা আটি,*
*তোমাৰে চেনেহত পৰি ঐ লাহৰী*
*দেহাকো কৰিলো মাটি।'*

সেই একেকেইটা প্ৰেমিক ডেকাই চিঞৰি চিঞৰি কয় বোলে -

*'খনীয়াই কাটিলো তামোল তিনিখনি,*

*নুৰিয়াই বান্ধিলো পাণ*

*পথাৰে পথাৰে বিচাৰি ফুৰিলো*

*ক'তে দাই আছিলা ধান।'*

গাভৰুহঁতৰ কোনোবাজনীয়ে একেই দীঘলীয়া সুৰত উত্তৰ দি কয় বোলে -

*'খনীয়াই কটা নাই তামোল তিনিখন*

*নুৰিয়াই বন্ধা নাই পাণ*

*পথাৰে পথাৰে বিচাৰি ফুৰা নাই,*

*তৰাণিত দাইছিলো ধান।'*

ইয়াত তৰাণি মানে পূৰ্বে তৰাৰ গজালি থকা ন-ভাঙনি পথাৰখনৰ কথা কোৱা হৈছে। কোনো কোনো দলনিত অৰ্থাৎ দল ঘাঁহেৰে ভৰি থকা দলনি পথাৰত ধান দাই থকা বুলিও কয়। ইফালে অসমৰ ৰূপহী গাভৰুকেইজনীয়ে দ' পথাৰত হেঙুলীয়া কাচিৰে ধান থাকোতেই কোনোবাটোৰে গৈ জোকাই থৈ আহেগৈ - 'দ'কৈ পথাৰত ধানে দাই আছিলে, হাতত হেঙুলীয়া কাচি। মাকে জীয়েকে দুইজনী একে, আনো কোনজনী বাছি।' লাজতে আৰু এষাৰ কৈ আহে বোলে - 'ধানে দাই গ'লা পাছলৈ নাচালা, এৰিলা চেনেহৰ মোক। বামে পাই লাখুটি এৰিলা যিদৰে, সিদৰে নেৰিবা মোক।' বুলিও কয়। অসমৰ এইকেইখন পথাৰতে 'ঘিলা চকলীয়া মুঠি'ৰে ধান দাই থাকোতে গাভৰুহঁতৰ কেঁচা ঘাম ওলায়, 'ডেকাই তোলৈ চাইক ৰাঙলী বান্ধি যাওঁ ডাঙৰী' বুলি পথাৰৰ লখিমী ঘৰলৈ আনে। এই পথাৰকেইখনেই আমাৰ প্ৰাণ, আদিম কালৰ পৰা আমি ইয়াতেই ৰস গ্ৰহণ কৰি জীয়াই আছোহঁক। পথাৰ আৰু বিহু নিবন্ধত ড° লীলা গগৈয়ে লিখিছিল - 'ইলাই পথাৰতে চিলাই ধানে দালে, ঘিলা চকলীয়া মুঠি।' - ইলাই পথাৰৰ বুৰঞ্জী মানুহৰ সভ্যতাৰ বুৰঞ্জী, ইলাই পথাৰত চিলাই ধান দোৱাৰ পৰম্পৰা কৃষিজীৱী সভ্যতাৰ পুৰণি পৰম্পৰা আৰু চিলাই গাভৰুৰ হাতত ঘিলা চকলীয়া মুঠিত সভ্যতাৰ দীঘলী বাটত দহো আঙুলিৰ সাঁচ। শুৱনি ৰোৱনীৰ চপাঁকলীয়া আঙুলিৰ বুলনিত অচলা লখিমী গাভৰু হৈ নিচলাক প্ৰাণ দিয়ে, লাৱনি দাৱনীৰ কোমল কোমল খামোচত গাভৰু লখিমী পথাৰৰ পৰা ঘৰলৈ আহে। এইখন উৰুঙা পথাৰৰ সুৰুঙাইদি সৰকি আহি পূৰঠ নিপোটল ডেকাটোৰ পুৰণি স্মৃতিত নতুন সজীৱতা ঢালি দিয়ে আৰু সি চিঞৰি উঠে - 'তোলৈ

চাই ৰাঙলী, বান্ধি যাওঁ ডাঙৰী, গৰা চপাই বান্ধি যাওঁ নাওঁ।' এইখন পথাৰতে জীয়ৰী জীৱনৰ জীয়া সভ্যটো ঢাকি ৰাখিব নোৱাৰি চিলাই চিঞৰি দিয়ে - 'কাচি দলি মাৰি ঘৰলৈ ঘূৰিলো, ওঁঠতে বৰলে খালে।' যিদিনা মানুহ পৰ্বতৰ গুহাৰ পৰা ওলাই আহি ভৈয়ামৰ মুকলি পথাৰত জীৱনৰ সপোনটো সানি দিলে সেইদিনাই পথাৰ আৰু মানুহৰ সম্পৰ্ক ছিঙিব নোৱাৰা এনাজৰীৰে বান্ধ খাই পৰিল। সেইদিনাই জীৱনৰ চৰম আনন্দৰ পৰম তৃপ্তি বিচাৰি মানুহে পথাৰলৈ চায় আৰু পথাৰৰ সপোনবোৰ আনন্দৰ উৎসৰমুখৰ বাস্তৱত দেখা পায়। সেয়েহে পথাৰ আৰু বিহুৰ মাজত যুগজয়ী সম্পৰ্ক গঢ় লৈ উঠিছে।

অসমৰ প্ৰতিঘৰতে তামোলনি এখন থাকেই, তামোল কেইজোপা আমাৰ বৰ আদৰৰ। তামোলখন নহ'লে যেন অসমীয়াৰ সমাজ জীৱনটোৱেই অচল। সেই হেন তামোল কেইজোপা আমাৰ বিহুৱা ডেকাৰ, বিহুৱতী গাভৰুৰ আপোন নহ'বনে? চেনাই বা চেনেহীৰ কটা তামোলৰ যোগেদিয়েই প্ৰেমৰ জুৰিটি আৰম্ভ হয়। 'তামোল পাণ অসমীয়া সংস্কৃতিৰ এক অপৰিহাৰ্য অংগ। এই কথা বিহুগীতেই প্ৰমাণ কৰিছে। তামোল-পাণবিহীন অসমীয়াৰ বাৰী শুৱনি নহয়। 'আগবাৰী শুৱনি কৰে কামিনী তামোলে আৰু পিছবাৰী শুৱনি কৰে পাণে।'[৬] ডেকা-গাভৰুৰ প্ৰেমৰ শুভাৰম্ভনি যে তামোলখনতে ঘটে এই কথা তলৰ বিহুগীতফাঁকিত ওলাই পৰিছে।

*'কিনো তামোলখনি দিলা ঐ লাহৰী অতি চেনেহেৰে খালো।*

*সেইনো তামোলখনি খাবৰে পৰা তোমাৰ লগত চিনাকি হ'লো।'*

তামোলখনে পৰস্পৰক আহুদি কৰে। ওপৰৰ গীতফাঁকিত গাভৰুৱে ডেকাক আহুদি কৰাৰ ইংগিত আছে। তলৰ গীতফাঁকিত ডেকাই গাভৰুক আহুদি কৰাৰ কথা স্পষ্ট ভাষাত আছে।

*'নেখায়ো নোৱাৰো খালেও নামুৱায়, চেনাইৰ থুৰি তামোলখনি।*

*থুৰীয়া তামোলেৰে আহুদি কৰিলি, মোৰ গাত লাগিছে শনি।*

তামোল গছ কেইজোপাই বাৰীখন শুৱনি কৰে; তামোল গছ কেইজোপা আকৌ শুৱনি হয় পাণ লতাকেইডাল বগালে, জালুক কেইজোপা বগালে। মদাৰ গছত বগোৱা পাণৰ কথাও বিহুনামত উল্লেখ আছে। 'তামোলত বগালে বাৰীৰ জালুকজুপি, মদাৰত বগালে পাণ। নেদেখি থাকিলে থাকিব পাৰো মই, দেখিলে থকাটো টান।'

৬। বৰুৱা, গিৰীশ ঃ সংস্কৃতিৰ ৰূপে বিহু, পৃ. ৩১

আমাৰ তামোলখনিৰ নিচিনাকৈ প্ৰকৃতিৰ দান হিচাপে পোৱা ফুল গছ কেইজোপা আৰু আদৰেৰে পাতি লোৱা ফুলনিখনেও বিহুগীত বনঘোষা বা বাৰকীয়া নামৰ মাজত শোভা বৰ্ষণ কৰি আছে। বাৰীত গোলাপ ফুল ফুলে, ঢাপত তিতাফুল ফুলে, তিতাফুলৰ কথা বিহুৰা ডেকাইক নাচতে উল্লেখ কৰিছে, এই দুবিধ ফুল সিহঁতৰ সিমান আদৰৰ নহয়। বিহুৱা ডেকা-গাভৰুৰ, প্ৰেমিক ডেকা-গাভৰুৰ অতিকে আদৰৰ ফুল কেইপাহমান হ'ল নাহৰ, কপৌ, তগৰ, কেতেকী আদিহে। সিহঁতে গাইছে -

*'চ'তেকৈ মহীয়া নাহৰ ফুল ফুলিলে*
*ব'হাগত পেলালে কলি।*
*আমাৰ দুখৰ দিন আহিলে লাহৰী*
*চকুৰে নোচোৱা হ'লি।'*

কপৌ ফুলে নুশুৱায় তোকে ঐ মইনাক, তগৰ ফুলে নুশুৱাই তোক। কিনো দায় জগৰ লগালো মইনা, ভাল মুখে নামাত মোক। ইফালে একোজনীহঁত লাহতীয়ে আকৌ সেউতী-মালতী নিপিন্ধেই, গোন্ধেৰে আমোলমোলাই থকা খৰিকাজাঁইহে পিন্ধে - 'গা ধুই উঠিলো দেউতাক সুধিলো, কি ফুল পিন্ধিব পায়। সেউতী নিপিন্ধো, পিন্ধো মই খৰিকাজাঁই।' একোজনীহঁতে নাহৰৰ জেউতী চ'ৰাৰ লগে লগে বঁহীয়া পৰা কপৌফুল দলিয়াই পেলায় - 'পকী নেমুটেঙা সৰিল। বঁহীয়া কপৌফুল পেলাওঁ দলিমাৰি নাহৰৰ জেউতি চৰিল।' এই একেকেইটা ডেকা-গাভৰুৱে কেতিয়াবা নাহৰ ফুল ফুলা নাই বুলি আক্ষেপো কৰে - 'নপানী বঢ়া নাই নাহৰ ফুল ফুলা নাই, বিহু বিহু লগা নাই গাত।' অসমীয়াই পতা ফুলনি দেখি বাটৰ বাটৰুৱাই ৰ' লাগি চাই হৰি হৰি কৰে - 'ফুলনি বাৰীতে আছিলো আইটি, ইপাহি সিপাহি লেখি। বাটৰ বাটৰুৱাই কৰে হৰি হৰি, ফুলৰ জক্‌মক্ দেখি।'

ফুল কেইপাহৰ লগতে অসমৰ অনুপম প্ৰকৃতিৰ অধিক শোভা বঢ়াই থকা পাহাৰ-পৰ্বত কেইটাও বিহুগীতৰ অনামী ৰচকৰ তেনেই চিনাকি। তাৰে কোনোটোৱে কপৌ ফুল বিচাৰি গৈ চটাই পৰ্বতৰ টিং পায়গৈ। 'চেনাইলৈ কপৌফুল বিচাৰি পালোঁগৈ, চটাই পৰ্বতৰ টিং।' কোনোৱে আকৌ মনৰ মানুহজনকে বলাব নোৱাৰি পৰ্বতৰ উপমা দিহে কথাষাৰ কয় - 'পৰ্বতে পৰ্বতে বগাব পাৰো মই, লতা বগাবলৈ টান। বলিয়া হাতীকো বলাব পাৰো মই, তোমাক বলাবলৈ টান।' বিহুৱা ডেকাই ইটো পৰ্বতত কুকুৰা কাটি সিটো পৰ্বতত তেজ পেলাই দিয়ে - 'ইটো পৰ্বতত কুকুৰা কাটিলো,

সিটো পৰ্বতত তেজ।' চটাই পৰ্বতত কপৌফুল থকা কথা উল্লেখ কৰা হৈছে; সেইটো চটাই পৰ্বতত নাহৰ ফুলো পোৱা যায় - 'ৰিঙেকৈ পহুৰে শিং ঐ মইনা, ৰিঙেকৈ পহুৰে শিং। চটাই পৰেবতৰ নাহৰ ফুল আনিছোঁ, মোৰ ধনৰ হাততে দিম।' অসমৰ মনোমোহা প্ৰকৃতিৰ চৰাইকেইজনীও বিহুনাম-গৰখীয়া নামৰ অনামী ৰচকৰ অতিকে চিনাকি। 'শালিকী চৰায়ে কিৰিলি পাৰিলে গছৰ গুটি খাবলৈ পায়।' শালিকী চৰাইৰ কিৰিলি মৰা স্বভাৱৰ কথানো কোনে নাজানে? চৰাই ধৰিবলৈ ছিটিকা পতাত ডেকাহঁত বেছ পাকৈত - 'চৰাইলৈ বুলি ছিটিকা পাতিলো, ডৰিকলৈ পাতিলো সাঙী।' কাণকুৰিকা চৰাই, কাম চৰায়ো ডেকাহঁতৰ চিনাকি, নহ'লেনো জাক পাতি পাৰি আলি ঢকা কাণকুৰিকা চৰাইৰ কথা কেনেকৈ জানিব - 'আলি ঢাকি পৰিলে কাণকুৰিকা চৰাইজাক, পথাৰ ঢাকি পৰিলে কাম। কুমলীয়া দেহাটিক কোনে মুচৰিলে, জুৰুলি বোৱালে ঘাম।' 'ঢাপলিয়া চৰাইটি, পৰ্বতত মাৰিলো টুনি। খোৱা ভাত-পানী সিও হ'ল এথানি, তোমাৰ নাম গোৱা শুনি।' আকৌ অনুপম প্ৰকৃতিৰ বিনন্দীয়া চৰাইকেইজনীৰ পাখিৰ আঁৰত প্ৰেমৰ মৰণা মাৰি ডেকাই গাভৰুৰ শেষ কথাষাৰ কয় - 'হাবিত জুই লাগিলে কুকুহা উৰিলে, ডঁৰিকে আছিলে চাই। ভদৰকলি চৰায়ে চিঠিখনি লিখিলে, তোমাকে আনিব পায়।' 'চৰাইৰ কপটীয়া শেণ ঐ মইনা, চৰাইৰ কপটীয়া শেণ।' 'ফেঁচাই কুৰুলিয়াই ৰাতি ঐ নুপুৰাই, কপৌৰে কুৰুলিয়াই ডালত।' 'কুকুৰা কুকুৰা অজাতি কুকুৰা, ভুকুৰাই মাৰিমে তোক।' 'হাবিত কান্দিলে হঁয়কলি চৰায়ে ছিটিকাৰ মুখলৈ চায়।', 'চ'তত কান্দিলে চতুৰা চৰায়ে, ব'হাগত কান্দিলে কুলি।', 'দহিকতৰা চৰায়ে পীৰিতি কৰিলে তৰাৰে গছতে পৰি, ডেকাই গাভৰুৰ পীৰিতি কৰিলে, যৌৱনৰ ভমকত পৰি।' 'উৰি যাওঁ বগলীৰ লগত ঐ লাহৰী, উৰি যাওঁ বগলীৰ লগত।' 'হাঁহে বাটে বুলে লোদোৰে পোদোৰে, পাৰই বাটে বুলে ৰ'ই।' 'লাহতে ধৰি মৌপিয়া চৰায়ে ডালত কঁটালিলে পাখি।' 'উৰি গ'ল কণুৰা কৈ গ'ল বাতৰি, চেনাই কোনহাতে আছে।' 'বগাকৈ বগলী উৰে জাকি মাৰি, পাখিতে লগালে পাখি।' কাউৰী শতৰু মুগাকৈ চুঙীয়া, পৰিব নিদিয়ে ডাল।' 'ওপৰে উৰিলে কৰচন কন্দুৰা, তাৰ লগত উৰিলে বগ।' 'বাঁহৰে আগলিত পৰি কামে চৰাই, উভতি কঁটালে পাখি।' 'ওপৰে উৰিলে মটীয়া চিলনী, পাখিয়ে নল'লে ঘোৰ।' 'নৈৰ শুৰনি গঙাকৈ চিলনী, পৰ্বতৰ শুৰনি মিৰি।' 'ৰৈনো ৰৈ কান্দিলে চাকৈ চকোৱা, ৰৈনো ৰৈ কান্দিলে জিলী।' 'নলনিত কান্দিলে হেটুলুকা চৰাইটি, হেটুলুক কৰিলে বনত।' - এই গোটেইখিনি গীততে চৰাই

একোজাতৰ নাম উল্লেখ কৰা হৈছে। মুঠতে বনৰ চৰাই কেইজনীৰ লগাত আমাৰ প্ৰেমিক ডেকা-গাভৰুৰ সম্পৰ্ক বৰ ওচৰ চপা।

দিনৰ সৰহখিনি সময় মুকলি পথাৰত, নৈৰ শীতল বুকুত, অথবা সেউজীয়া বননিত কটাবলগীয়া হোৱাত প্ৰকৃতিৰ ৰূপ-ৰস-বৰ্ণ-গন্ধ-শব্দৰ প্ৰতি অসমীয়া মানুহ সকলো মুহূৰ্ততে সচেতন। চকুৰ আনন্দ আৰু ভয়, শংকা জন্মোৱা মনোৰম আৰু বিৰাট দৃশ্য, জিভাৰ আস্বাদিত মিঠা, তিতা, কেহা আস্বাদ, স্পৰ্শৰ অনুভৱ নাকে অনুভৱ কৰা বিবিধ গন্ধৰাজি, কাণত মধুৰ বা কৰ্কশ লগা ধ্বনি - এই সকলোবোৰেই প্ৰকৃতিৰ দান। প্ৰকৃতিৰ পৰশত স্পন্দিত হোৱা অনুভূতিৰ বৰ্হিপ্ৰকাশৰ কাৰণেই বিহুগীত অসমীয়া মানুহৰ মনৰ আৰু অসমৰ প্ৰকৃতিৰ প্ৰতিচ্ছবি হ'বলৈ সক্ষম হৈছে। 'বিহুগীতত থকা প্ৰকৃতিৰ বৰ্ণনা অনুপম। প্ৰকৃতিৰ সম্পদৰাজিৰ উল্লেখৰ লগতে সেইবোৰৰ প্ৰতি প্ৰশংসা আৰু স্তুতিৰ বাণীও উচ্চাৰিত হৈছে। পানীৰ কলমেট, তৰাৰ গজালি, ঢেঁকীয়া পতীয়া বাঘ, বনৰ হৰিণা, ডালৰ কপৌ আদিয়ে বিহুৱা ককাইৰ মন আকৰ্ষণ কৰিছিল। গাঁৱৰ ডেকা-গাভৰুৰ মন প্ৰকৃতিৰ একেবাৰে সমীপতে থাকে বাবে এইবোৰে তেওঁলোকৰ মন আকৰ্ষণ কৰে। প্ৰকৃতি সম্পৰ্কীয় জ্ঞান অসমীয়া মানুহৰ ব্যাপক আৰু গভীৰ। কোন সময়ত প্ৰকৃতিয়ে কি দিয়ে সেই সম্পৰ্কে তেওঁলোক জ্ঞাত। চ'তত চম্পা কলি ফুটে, জেঠত আমে মলিয়ায়, আহাৰত কঁঠাল হয়, ভাদত অমনা ধান ৰোৱা হয়, থেকেৰা ৰাতি ফুলে ইত্যাদি কথাবোৰ তেওঁলোকৰ জনা। প্ৰকৃতি সম্পৰ্কীয় অসীম জ্ঞানৰ বাবেই বিহুনামৰ অনামী কবিয়ে ক'ব পাৰিছে - 'আবেলি বেলিকা জিকা ফুল ফুলিছে, মাৰে মোৱা মাছে জাকি। আহাৰে-শাওনে আম-কঁঠাল পকিলে, কলিয়া হলৌৱে খায়।'

অসমৰ প্ৰকৃতিৰ আনবোৰ সম্পদৰ দৰে অসমৰ জনজীৱনত বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰা ছিৰি লুইতকে প্ৰমুখ্য কৰি অসমৰ নদ-নদীকেইখনেও বিহুনাম, হাবিনামৰ ৰচকসকলক বিশেষভাৱে প্ৰভাৱান্বিত কৰিছে। দিচাং, দিখৌ, ধনশিৰি, সোৱণশিৰি, দিহিং, ভোগদৈ, কাকডোঙাকে আদি কৰি এই নৈ কেইখনৰ পাৰতে অসমৰ ডেকা-গাভৰুহঁত ডাঙৰ হৈছে, ইবোৰৰ বুকুতে সাঁতুৰিছে-নাদুৰিছে, এইবোৰ নৈৰ চিনাকি ঘাটকেইটাতে প্ৰণয়ৰ পানীঢোক খাইছে। আমাৰ ডেকা-গাভৰুহঁতৰ আটাইতকৈ আপোন নৈখন হ'ল ছিৰি লুইতখন। ব্ৰহ্মপুত্ৰ বা বৰ্হমপুত্ৰ বা ছিৰি লুইত - একেখন নৈৰে এই তিনিটা নামৰ ভিতৰত বৰ্হমপুত্ৰ খুব কমকৈ ব্যৱহাৰ হৈছে। আচলতে 'ব্ৰহ্মপুত্ৰ' হ'ব লাগিছিল

যদিও চহা ডেকা-গাভৰুৱে কোমলৰো কোমল উচ্চাৰণ এটা বাছি লৈছে - 'বৰহমপুত্ৰৰ পাৰতে বৰ্হমথুৰি এজুপি, আমাৰ খৰি লুৰা ঠাই। বৰহমপুত্ৰ দেৰতা উটুৱাই নিনিবা, তামোল দি মাতোতা নাই।' ব্ৰহ্মপুত্ৰ শব্দটোৰ উচ্চাৰণ কঠিন হোৱা বাবে বিহুৱাহঁতে বিহুনামত মুঠে এবাৰহে ব্যৱহাৰ কৰা দেখা যায়। সেয়ে হ'ল - 'নৰুৱা বিলখন জাঁপ মাৰি ডেই যাম, ব্ৰহ্মপুত্ৰ কেনেকৈ ডেম।' বোলা নামযাৰত। কিন্তু ছিৰি লুইতখনৰ কথা হ'লে ক'বই নেলাগে। ছিৰি লুইতলৈ চাই গাভৰুৱে কাপোৰ ধোৱে, ধনে (ডেকাই) নাও মেলি যায়-

*'ছিৰিপ্ ছিৰিপ্ কৰি কাপোৰ ধুই আছিলো, ছিৰি লুইতলৈ চায়।*
*ছিৰি লুইততে কিৰিলি মাৰি থৈ ধনে নাও মেলি যায়।'*

লুইতৰ ঢক্ ঢক্ কৰে বগা বালিত কাছই কণী পৰা কথা ডেকা-গাভৰুৰ জনা আছে। পানী ঘাটেদি নামি বালিত ধেমালি নকৰিলে এইবোৰ কথা কেনেকৈ জানিব? লুইতৰ বুকুতে থকা মাজুলী 'চাপৰি'ৰ প্ৰাকৃতিক সৌন্দৰ্যৰ কথাও বিহুনামত পোৱা যায়। লুইতৰ পাৰৰ গোধা শিমলুৰ ডাল ডেকাই খঙতে ভাঙি থৈছে। জোপোহা শিমলুত কুৰুৱাই বাহ লোৱা কথাও অনামী কবিয়ে জানে -

*'লুইতৰ বালি বগী ধকেধকী, কাছই কণী পাৰে লেখি,*
*গাতে জুই জ্বলিছে সৰিয়হ ফুটিছে, ধনক পানী ঘাটত দেখি।'*
*'লুইতৰ শুৱনি মাজুলী চাপৰি, সৰগৰ শুৱনি তৰা,*
*কোনটো চিতেৰে আমাক এৰি থৈ, খালি দোৱা ভজা চিৰা।'*
*'লুইতৰ কাষৰে গোধাকৈ শিমলু, গোৰ মাৰি ভাঙি যাওঁ ডাল,*
*গোৰ মাৰি ভাঙি যাওঁ বাটৰে জপনা, ইও এক শতৰু কাল।'*
*'লুইতৰ পাৰৰে জোপোহা শিমলু, তাতে ল'লৈ কুৰুৱাই বাহ,*
*এইনো তিৰী জাতি বুজিব নোৱাৰি, ধৰিব নোৱাৰি আঁহ।'*

লুইতৰ বালিয়ে চাগে কেতিয়াবা কাৰোবাক অসুবিধাতো পেলায়। সেয়ে বালিয়েদি নাযাবলৈ কয়- 'লুইতে নাযাবা বালি ঐ লাহৰী, লুইতে নাযাবা বালি।' ইফালে সেইটো বালি চাপৰিতে হোৱা সৰিয়হডৰা মোৱা পোকেও বেৰি ধৰে - 'লুইতৰ চাপৰিত সৰিয়হ ফুলিলে, মোৱা পোকেও বেৰি খায়।'

কেতিয়াবা লুইতে সুঁতি সলায়, লুইতৰ লগতে প্ৰেমিক ডেকায়ো সুঁতি সলাবলৈ বিচাৰে। ‘লুইতৰ এসুঁতি দিচৈৰো এসুঁতি, মোৰ ধন এসুঁতিয়ে যায়।’ সুঁতি সলোৱাজনৰ বেমাৰত ডিবৰু নাথাকি লুইত পাৰ হৈ ধনহঁত কলিয়াবৰৰ ফালে যায়গৈ - ‘লুইত পাৰ হ’লো দিখৌ পাৰ হ’লো, জিৰালো কলিয়াবৰত। তোমাকে বিচাৰি ঘৰ-বাৰী এৰিলো, নাথাকো ডিবুৰুগড়ত।’ এনেকৈয়ে দেখা যায় ছিৰি লুইতখনে বিহুনাম বনঘোষাৰ ৰচকসকলৰ হৃদয় মন আৱৰি ৰাখিছে। লুইতৰ নিচিনাকৈ অলপ আগতে উল্লেখ কৰা দিখৌ নৈখনো তাহানিৰ পৰা আজিলৈকে ডেকা-গাভৰুহঁতৰ বৰ আপোন, বৰ চিনাকি। ‘দিখৌত কপি লগা দলং ভনীক, পোৱালি কাছৰে চলং’ বুলি ইংৰাজে দিয়া দিখৌৰ কপি লগা (লুইতৰ পৰা জাহাজ আহিলে দলঙৰ দাঙি দিব পৰা অংশ) দলঙক লৈ আধুনিক কালত ডেকা বিহুৱাই বিহুনামৰ জাত ৰচিছিল। পুৰণি কালত সেইখন দিখৌতে আকৌ ভৰ গাঁও দুখনৰ মাজত সাঁকো এডালৰ বৰ প্ৰয়োজন আছিল - ‘দিখৌ নৈ ইপাৰে দিখৌ নৈ সিপাৰে, কোনে দিয়ে যাব সাঁকো। কোনে দিয়ে যাব ৰাঁচে দোৰপতি, কোনে দি যাব মাকো।’ এৰা, দিখৌত সাঁকো এডাল থকা হ’লে - সাঁকোৱেদি আহি ৰাঁচ-দোৰপতি দি যাব পৰা হ’লে চাগে ৰংপুৰীয়া ডেকা-গাভৰুৰ প্ৰেমৰ চোক আৰু অলপ বাঢ়িলহেঁতেন। পিছে প্ৰেমৰ টানতকৈ দিখৌপৰীয়া গাভৰুৰ নৈখনলৈ বেছি টান থকা যেন লাগে, সেয়ে আন ঠাইলৈ বিয়া হৈ যাবলৈ নিবিচাৰে; গ’লে যে সৰু মাছকেইটাকো এৰি থৈ যাব লাগিব।

*‘সৰুতে পিতাদেউ জকাই সাজি দিয়া, নালতো বিন্ধিলে ঘুণে।*
*দিখৌ পাৰ কৰি দিয়া বিয়া কৰি, সৰু মাছ মাৰিব কোনে?’*

আগতে দিখৌ দলঙৰ ‘কপি’ৰ কথা (দাঙি দিয়া ব্যৱস্থা) উল্লেখ কৰা হৈছিল। সেইখন দিখৌ দলঙৰ তলে জাহাজ পাৰ হৈ যায়; কোম্পানীৰ জাহাজ গুমগুমাই আহিলে দিখৌপৰীয়া গাভৰু কিয় জানো মনে কুৰুলিয়াবলৈ ধৰে -

*‘দিখৌ গুমেগুমাই কোম্পানীৰ জাহাজ ঐ, ঢেঁকী গুমেগুমাই থোৱা,*
*বুকু চমেচমাই মনে কুৰুলিয়াই, গাভৰু হ’বৰে পৰা।’*
*প্ৰেমৰ চোক বাঢ়ি গ’লে ডেকা ল’ৰাই চিঞৰে -*
*দিখৌ নৈ এৰিব পাৰোঁ মই লাহৰী, জাঁজী নৈ এৰিব পাৰোঁ।*
*তোমাক ঐ লাহৰী এৰিব নোৱাৰো, নেখায়ো মৰিব পাৰোঁ।* [৭]

৭। সংবাদদাতা ঃ গগৈ, পদ্মেশ্বৰ, বান্তৌগাওঁ।

দিখৌৰ নিচিনাকৈ জাঁজী নৈখনো ডেকা-গাভৰুহঁতৰ চিনাকি। কোনোবা সোণাৰীৰ পুতেকে মনৰ গাভৰুজনীক কথাষাৰ কওঁতে লগতে আপোন জাঁজী নৈৰ কথাকে কৈ মনৰ ভাৱটি প্ৰকাশ কৰে -

'ই নৈয়ো আমাৰে সি নৈয়ো আমাৰে। জাঁজীও আমাৰে নৈ। আঙঠি হেৰালে চিন্তা নকৰিবা, সোণাৰী ঘৰতে ঐ।' পিছে জাঁজীপৰীয়া গাভৰুৰ মন পাবলৈ টান, মনৰ মৰমো বোলে তাকৰীয়া - 'জাঁজী কাষৰীয়া মৰমৰ দুখীয়া, মনতো নেলাগে ৰং। কিনো দায়ে জগৰ লগালোঁ লাহৰী, মৰোঁতেই কৰিলা খং।' জাঁজীৰ পৰা উজাই গৈ দিখৌ পাৰ হৈ পোৱা দৰিকা আৰু দিৰাঙৰ কথাও বিহুৱাহঁতৰ জনা আছে - 'দৰিকা দিচাঙৰ পানী বাঢ়ি গ'লে, দিখৌ এৰাসুঁতি হ'ল।' বিজুলী চকুৰা 'লেতেৰা' ছোৱালীক ভোগদৈৰ লেতেৰা পানীৰ লগত ৰিজনি দিলে - 'নৈৰে লেতেৰা খুলীয়া খুবীয়া, ভোগদৈৰ লেতেৰা পানী। ছোৱালী লেতেৰা বিজুলী চকুৰা, মুখত মিচিকিয়া হাঁহি।' এইখন ভোগদৈত ডেকাহঁতে পল' বাইছিল। পাৰত লাঙি জাল পাতিছিল - 'ভোগদৈ নৈত পল' বাইছিলোঁ, চাবত পাই গ'লো কাছ।', 'ভোগদৈ দাঁতিতে পাতো লাঙী জাল, উভতি লাগিলে মোৱা।' ইত্যাদি 'দিহিঙে এৰিলে দিহিঙৰ এসুঁতি, লুইতে এৰিলে কুল', 'হাতত ধৰি ধৰি দিহিং পাৰ হ'লো, জিৰালোঁ খাগৰি তলত', 'দিহিঙৰ ঘাটতে দুবুনী নামিলে, নামে লুইততে মিৰি' বুলি উজনিৰ দিহিংখনৰ কথা উল্লেখ কৰিছে। মাজৰছোৱা কাকডোঙাৰ বৰালি মাছৰ কথা চহা কবিৰ ৰচনাত ধৰি ৰখা হৈছে। 'কাকডোঙাৰ বৰালি ডেৰছোৱাৰ বৰালি, কেনেকৈ মিহলি হ'ল। আমি নেঘেৰিয়াল তুমি যোৰহটীয়া, তেনেকৈ চিনাকি হ'ল।'

বিহুনামত ধনশিৰিৰ নাম যেনেকৈ আছে সোৱণশিৰিৰ নামো তেনেকৈ আছে - 'ধনশিৰি ভেটিলে জেঙেকৈ জাবৰে, সোৱণশিৰি ভেটিলে কিহে।' 'ধনশিৰি পাৰ হৈ ঢপলিয়াই আহি' ডেকা ল'ৰা 'কলিয়াবৰ'ত জিৰণি লয়। কলিয়াবৰৰ পৰা গৈ গৈয়েই কলংপাবগৈ পাৰি। কলংপৰীয়া ছোৱালীয়ে বৰ পোনপটীয়াকৈ কথা কয় যেন লাগিছে। প্ৰমাণ এই গৰকীয়া নামফাঁকি - 'কলঙৰ পাৰতে কাপোৰ ধুই আছিলোঁ, তোমালৈ ধাউতি কৰি। মনৰে হাবিয়াস মনত নেমাৰিবা, নিয়াহি ডিঙিতে ধৰি।' নৈৰ দৰে বিলৰ নামো বিহুনামত পোৱা যায়। দীঘলী বিল; লৰুৱা বিল; বগী বিল; চৰাইহাগী বিল; বলমা বিল; ডেৰছোৱা বিল আদিৰ নামো বিহুনামত আছে। 'দীঘল বিল'ত চেনীকুঢ়ি মাছলৈ বালি ভেটা দিয়ে, 'লৰুৱা বিল'খন জাপ মাৰি মাৰি ডেই যায়। 'বগীবিল'ত চেনী-পুঠি উজায়। 'চৰাইহাগী

বিল'ত চৰাই উৰি আহি পৰে, 'বলমা বিল'ত মাছৰ সোৱাদ, ৰঙাজানৰ তেলীয়া সাঁকোত বগাব নোৱাৰি, চেনাই বাগৰি পৰে। আৰু যে কত কি হয়। ৰঙা নৈ মাছৰ বেজাৰত শুকায়, দৈয়াঙৰ হাতীয়ে পানী খায়, চিচিমুখৰ নাৰ, বাট' মাছৰ উজান উঠে। এইদৰে নৈ আৰু বিলৰ নাম বিহুনামত উপচি আছে।

প্ৰকৃতিয়ে মনোৰমকৈ সজোৱা নদীমাতৃক দেশ অসমৰ নদীকেইখনক যদি ভূগোলৰ কিতাপৰ বাহিৰে এইখন ক্ষেত্ৰতো ধৰা হয় তেনেহ'লে বিহুনামত ভূগোলৰ কথাৰেও এখন 'কিতাপ' হৈ আছে বুলিব পাৰি। ধনশিৰি পাৰ হৈ অৰ্থাৎ গোলাঘাটৰ পৰা গৈ কলিয়াবৰত জিৰণি লোৱা বিহুৱা ডেকাই 'ডিবৰুৰ ৰণখন শদিয়াত লগা' বুলি কৈ ভূচিত্ৰাৱলী অসমৰ মানচিত্ৰত পিট্‌পিটাই ফুৰাৰ ইংগিত দিছে। 'নগাঁৱৰ বাতৰি' এইকেইটা ডেকাই 'গড়গাঁৱত' শুনে, 'যোৰহাট জিলালৈ অকলে নাযাবা, আমাকো লগতে নিবা' বুলি এনেয়ে গাভৰু কেইজনীয়ে নকয়। এওঁলোকৰে কোনোবাই ওলাই নামদাঙৰ সাঁকো দেখে, 'দিখৌমুখত কোম্পানীৰ জাহাজ' দেখে 'উজাই নামচাং ভটীয়াই নাজিৰা, তাৰ মাজে ৰাওনা খাত' বুলি কয়, 'শালমৰা কুমাৰ'ৰ চৰু হাটত কিনি খঙত বাটতে ভাঙে। ভূগোলৰ লগতে ডেকাই বুৰঞ্জীৰ কথাও ক'ব খোজে। বিহুনামত পোৱা বুৰঞ্জী সম্পৰ্কে 'বিহুনামত অসমৰ ভূগোল' নিবন্ধত এনেদৰে পোৱা যায় - 'আহোম যুগৰ কিছুমান ঐতিহাসিক বিশেষত্ব থকা ঠাইৰ নাম মাজে মাজে বিহুগীতত সোমাই আছে। 'ফুলপানীছিগা'ত ঢোলৰ মাত শুনি জীয়ৰীয়ে উজুটিত যঁতৰ ভাঙে; 'নগাঁৱৰ নলনি বছাগাঁৱৰ দলনি জিকমিকাই থাকে; স্বৰ্গদেউৰ চিকুণ কেঁকোৰা দোলাখন শুৱায় 'গজমুৰ'ৰ আলি; কোন স্বৰ্গদেৱে পুখুৰী খন্দালে নাম থ'লে 'গৌৰীসাগৰ', স্বৰ্গদেউৰ তামুলী গন্ধীয়া ফুকনে মাতে 'তাওকাক'ৰ পৰা; 'গেলেকী' গেৰাজত চিপাহী কাটিলে; 'শিৱসাগৰ শুকাব আফুকানি লুকাব; সাতৰাজ মাৰি একৰাজ কৰিলে - ল'লে যোৰহাটত ঠাই; 'মানদেশত' আছিলে মানতৰা এযুৰি; 'চামগুৰি' হাটতে ঢোলে গিৰগিৰাই; 'ৰংপুৰ'লৈ যোৱাগৈ লংগুটি আনাগৈ বুলি বিহুৱাই নানান বাতৰি দিছে।

মনোৰম প্ৰাকৃতিক দৃশ্য বৰ্ণিত কিছুমান উল্লেখযোগ্য বিহুগীত দেখা যায় -

*'মোলান দৈ বাঁহৰে ঐ আগলিত*
*মোলান দৈ পৰিনো কামে চৰাই*

*মোলান দৈ উভতি ঐ কটালে পাখি।*

*মোলান দৈ আমাৰে ঐ লাহৰী*

*মোলান দৈ দিয়েনো তামোল কাটি*

*মোলান দৈ পাণতে ঐ বাবৰি বাছি।*

*মোলান দৈ শালিকী ঐ পৰিলে*

*মোলান দৈ ফান্দতনো মোৰ চেনাইটি*

*মোলান দৈ শালিকী ঐ পৰিলে ফান্ধত।*

*মোলান দৈ কিনো কৈয়ে যাম*

*মোলান দৈ দেহাৰে ঐ বাতৰি*

*মোলান দৈ তুমিও যে পৰিলা বান্ধত।* [৮]

বাঁহৰ আগলিত কাম চৰাই পৰি উভতি চাই কেনেকৈ পাখি কাটে আৰু তদুৰূপ লাহৰীজনীয়ে তামোল কাটি অতি মনোমোহাকৈ তাত পাণৰ লগত বাবৰি বাছি দিয়ে।

তেনেকৈয়ে প্ৰিয়সীৰ মিলনৰ আশাত এদিনে এটা বছৰ যেন বোধ হয়। বাৰীৰে ঢাপত পকী থকা জলকীয়া ৰাঙলী ভাটৌৰে খোৱা আৰু আশাৰ চাকি গছি বাটলৈ চাই কেনেকৈ ঢিমিক ঢামাক্কৈ জ্বলি থাকে। ইয়ালৈ চাই প্ৰেয়সী নাচনী মিলনৰ সিদ্ধান্ত লোৱাৰ কথা কোৱা হৈছে —

*এ জান ঐ বাৰীৰে ঢাপৰে, এ জান ঐ পকা জলকীয়া*

*এ জান ঐ বাৰীৰে ঢাপৰে, এ জান ঐ পকা জলকীয়া*

*এ জান ঐ ৰাঙলী ভাটৌৰে খায়*

*জান ঐ ঢিমিক ঢামাক কৰি*

*জান ঐ জ্বলে চাকি গছি*

*জান ঐ আশাৰে পথলৈ চায়।*

*এ জান ঐ খৰেকৈ যোৱাগৈ, এ জান ঐ নাচনীক কোৱাগৈ*

*এ জান ঐ খৰকে যোৱাগৈ, এ জান ঐ নাচনীক কোৱাগৈ*

*এ জান ঐ এদিনে এবছৰ যায়*

৮। পূৰ্বোক্ত সংবাদদাতা।

*জান ঐ ঢিমিক ঢামাক কৰি*

*জান ঐ জ্বলে চাকি গছি*

*জান ঐ আশাৰে পথলৈ চায়।*[৯]

**অই নিঃতমত প্ৰতিফলিত অসমৰ প্ৰকৃতি ঃ**

অই নিঃতমবোৰ প্ৰকৃতিক ৰং, ৰূপৰ বিবিধ বৰ্ণনাৰে পৰিপূৰ্ণ। অই নিঃতমত দুটি পংক্তিত বিভক্ত। প্ৰথম পংক্তিত সাধাৰণতে প্ৰকৃতিৰ নৈসৰ্গিক ৰূপৰ বৰ্ণনা আৰু দ্বিতীয় পংক্তিত প্ৰকৃতিৰ সতে চহা কবি বা গায়ক-গায়িকাৰ ব্যক্তিগত জীৱনৰ তুলনা বা উপমা। চহা কবি সকলৰ সাধাৰণ আৰু আটাইতকৈ সহজভাৱে সৰলীকৃত ধাৰণাটো হ'ল — যিজন ঈশ্বৰে জগতখন স্ৰজিলে তেওঁ পীৰিতি কৰিছে, আমিনো নকৰিম কিয় ? বনৰ চৰায়ে জোৰ পাতিছে, আমিনো নাপাতিম কিয় ?

এইদৰে প্ৰকৃতিৰ লগত তুলনা কৰি গোৱা অই নিঃতমৰ উদাহৰণ অসংখ্য পোৱা যায়। অই নিঃতমত প্ৰকৃতিৰ গছ লতা, তৰু-তৃণ, পৰ্বত, নৈ-নিজৰা আনকি লুইতৰ নিৰ্মল পানী আৰু সোৱণশিৰিৰ বগা বালিও বাদ পৰা নাই।

(১) 'আঃনী আচ্চী নাৰীঙী

কাঃ য়ীম্ পুম্চাঃল তৃঃলৃঃদাগ্।

মীঃ নাম্ অইবৃ কাংকানী

কাঃয়ীম্ আয়পী মীঃলৃঃদাগ্।।'

**ভাৱাৰ্থ ঃ** লুইতৰ পানী ইমানেই নিৰ্মল, তলুৱাত উঠাই খাবৰ মন,

তুমি ইমানেই ধুনীয়া যে, দেখাৰ পৰা প্ৰেমত পৰিবৰ মন।।

(২) 'অঠনৰি চুল্লিঃদী

ললাদীম্পী লাদ্দুঃনী;

আজন্ আৰঃদ্ অইয়ীঃ নম্

পঃল তীম্পী কাঃদুঃনী।'

৯। পূৰ্বোক্ত সংবাদদাতা।

**ভাৰাৰ্থঃ** সোৰণশিৰিৰ বালিবোৰ, জোনৰ পোহৰত উজলি উঠে।

লগৰীয়াৰ মাজত মৰমী তোমাকো, জোনৰ দৰে লাগিছে।

(৩) আচি বিত্তিল দুঃমৃল

ৰাগদী কঃতৃল দুঃয়ৗপী।।

অইন আইপী মৗঃ মৃল

ঙঃচিন মৗঃতৃল দুঃয়ৗপী।।

**ভাৰাৰ্থঃ** নৈৰ পানী বৈ থাকিলে, গড়া খহায়েই থাকিব।।

চেনাইয়ে ভাল পালে, ময়ো ভাল পাই থাকিম।[১০]

প্ৰকৃতিৰ বুকুতে লালিত পালিত হৈ প্ৰকৃতিৰ ৰং ৰূপ ৰস পান কৰি ডাঙৰ-দীঘল হয় চহা কবি সকল। চহা ডেকা গাভৰুৰ প্ৰণয়সুলভ সৃষ্টিত প্ৰকৃতি দেৱীৰ মানৱীয় কাৰ্যকলাপ ঘটনা পৰিঘটনা প্ৰতিফলিত হয় উঠে। যাৰ বাবে প্ৰকৃতি তেওঁলোকৰ অবিছন্ন অংশস্বৰূপ। আকাশত চিৰজ্যেতিষ্মান হৈ থকা জোন-বেলি তৰা অই নিঃতমৰ উপমা ৰূপে ব্যৱহৃত হয়। যেনে —

(১) দঃঞ্জি বৃঃচিন আতৗৰক'

পঃল বৃঃচিন আতৗৰক'

চৃঃচাং আচিন আতৗৰক

ঙক্কী মৗঃ নাম নওৰঃবং

**ভাৰাৰ্থঃ** সূৰ্য্য এটা, চন্দ্ৰ এটা, মোৰ একমাত্ৰ যৌৱনৰ

একমাত্ৰ ভালপোৱাও তুমিয়েই

(২) দঃমৃৰ অইয়া তালৗঃতৗ

পঃল তাকাৰ দুঃদাগনৗ

অইয়া নককী আয়াঃদী

ঙক্কী তুৰ্ৰা দুঃনানী

১০। সংবাদদাত্ৰী ঃ টাইড, দলে, ললিতি, অয়ান গাওঁ।

**ভাৰাৰ্থঃ** সৌ আকাশখনি, চন্দ্ৰ তৰাৰ দেশ,

চেনাই তুমাৰ মৰমখিনিও মোৰ জীয়াই থকাৰ একমাত্ৰ সম্বল

(৩) ৰুঃৰব্ক য়ৗগ'ম্ য়ুমৗদীম্

ৰুৰাদ ম'দাগ পঃলবৃ

মৗঃদৃৰ য়ৗগম আচিন চৗম

মৗঃপ মদাগ্ নক্ আয়াঃদী।

**ভাৰাৰ্থঃ** ৰাতিৰ পৃথিৰীখন আন্ধাৰ হলেও, জোনে পোহৰাই তোলে

বিষাদেৰে মন ভৰি পৰিলেও, তোমাৰ মৰমে উজ্বলাই তোলে।[১১]

অই নিঃতমবোৰত প্ৰকৃতি ৰাজ্যৰ সৈতে মানৱ ৰাজ্যৰ ঘনিষ্ঠ সম্বন্ধ স্থাপন হোৱা দেখা যায়। ইবোৰত অসমৰ অনুপম প্ৰকৃতিৰ কথা প্ৰকাশ পায়। আমাৰ চিৰপৰিচিত আম গছজোপা, যাৰ তলত খেলা কৰো, বোঁৱাৰন গছ জুপি অই নিঃতমত জিলিকি উঠে —

(১) 'লুইতৗৰ, আগম্ লুপঃয়ক্

কেঃদিঃ আমৃং লেপঃপৗ;

অইন' লুতৗৰ্ লুদ'দ'

অক্কে চুলা চিনাপৗ।

**ভাৰাৰ্থঃ** শেষ কথাৰে ইমান সোনকালে বিদায় নিদিবা ৰ'বা, আম এজুপি ৰুই লওঁ;

তুমি মোক বিদায় দিয়াৰ বেলা, তাৰ ডালত চিপলৈ মৰিবলৈ।

(২) 'চৃঃমাং চৃঃমাং অৗম্গেঃলা

চৃঃমাং অৃচৃং চৃঃদুঃনী;

মৗঃমাং মৗঃমাং অম্গেঃলা

নম্মৗ অইপৗ মৗঃদুঃনী।'

**ভাৰাৰ্থঃ** নাবাঢ়িব যেন হৈ বোঁৱাল গছজোপা বহুত বাঢ়িল,

তোমাৰ কথা নাভাবো বুলি ভাবিও ভালপাই পেলালো।[১২]

---

১১। সংবাদদাত্ৰী ঃ দলে, কাৰ্চলি, পাতেৰি গাওঁ।

১২। সংবাদদাত্ৰী ঃ মিলি, তৰাৰতী, জোনাই।

অসমৰ চাৰিওফালে ঘেৰি আছে সৰু-বৰ বহুতো পাহাৰ-পৰ্বত। অতীজৰে পৰা পাহাৰ-পৰ্বতৰ লগকেত লালিত-পালিত হৈ ডাঙৰ-দীঘল হোৱা মিচিং চহা শিল্পীয়ে পাহাৰ-পৰ্বতকলৈ অইনিঃতম ৰচনা কৰিছে। অতীজত মিচিং সকলে পৰ্বতত বাস কৰিছিল; সেয়েহে বিহুগীতত উল্লেখ কৰিছে এইদৰে —

**বিহুগীত ঃ**

নৈ শুৱনি　　　　গঙ্গাকৈ চিলনী
পৰ্বতৰ শুৱনি মিৰি
ডেকাৰে শুৱনি　　　　ভৰিৰে কলাফুল
গাৱঁৰে শুৱনি তিৰি।।

পাহাৰ-পৰ্বতবোৰ মিচিংসকলৰ বাবে অতিকৈ আপোন। দুখ-সুখৰ, হাঁহি-কান্দোনৰ থলী। মনৰ ভাৱ প্ৰকাশ কৰিবলৈ পৰ্বত পাহাৰৰ উপমাৰে চহা মিচিং শিল্পীসকলে ৰচনা কৰা অই নিঃতম কেইটমান উল্লেখ কৰা হৈছে।

(১)　দিঃতৗ আদি কেকনৗলৗ
অক্‌ক দুঃচং কিন্‌তমাং
অইনক আচিন আৰাঙউদৗ
চৗঃকম মৗঃদুন কিন্‌তমাং

**ভাৱাৰ্থ ঃ**　পৰ্বতৰ সিপাৰে কি আছে জানিব নোৱাৰিলোঁ।
চেনাই তোমাৰ অন্তৰে কাক ভাল পায় জানিব নোৱাৰিলোঁ।

(২)　দিঃতৗ আচি বিইয়িদুং
গৃঃতুঃ জিকং কিনমাঃপৗ
আচিনাঙৗ অদুবং আনিন
মঃতৗং কিন্‌মাঃপৗ।।

**ভাৱাৰ্থ ঃ**　পৰ্বতৰ নদী বৈ আহে খাল-বাম, ওখ-চাপৰ কোনো বাধা নমনাকৈ,
তোমালৈ মনত পৰিছে দূৰ-ওচৰ একো বিচাৰ নকৰাকৈ।[১৩]

---

১৩। সংবাদদাতা ঃ পেগু, গণেশ, গোগামুখ।

অই নিঃতমত প্ৰকাশ পায় মিচিং জনজীৱনৰ জীৱন ধাৰণৰ প্ৰতিচ্ছৱি। তেওঁলোকৰ কৃষিৰ লগত জৰিত জীৱন শৈলী, কৃষিভিত্তিক উৎসৱ পাৰ্বন—

'কাজে আজন্ গৃকাবয়
আদিয়ৌনা তায়ৌঃ ত'প্
চৃঃপাগ্ আৰৃগ্ ইগেঃলা
ৰিঃবি গাচেং চুম্গেঃলা
আলি আঃয়ে, পঃৰাগ ল'
গীলেন্ অইয়া বম্লাঃপী।'

**ভাৱাৰ্থঃ** ক'লা মোৰ মৰমৰ চেনাই, পাহাৰৰ ওপৰত গৈ কপাহৰ খেতি কৰোঁগৈ।
এই কপাহৰ পৰা সূতা কাটি ৰিঃধি গাচেং বৈ আলি আঃয়ে লৃগাঙ আৰু পঃৰাগ উৎসৱত গাত লৈ আনন্দ মনে দুয়ো নাচিম।[১৪]

অসমৰ বসবাস কৰা জনগোষ্ঠী সমূহৰ খেতি পথাৰৰ লগত ওতঃপ্ৰোত সম্পৰ্ক আছে। খেতি হৈছে মিচিং সকলৰ প্ৰাণ আৰু পথাৰ হৈছে আধাৰ বা আহিলা। প্ৰেমিক-প্ৰেমিকাই পথাৰত, ভূই ৰুওঁতে, ধান নিৰায় থাকোতে, ধান দাই থাকোতে কোনো উপলক্ষত দেখা দেখি হয়। এই দেখা দেখিৰ পৰাই অন্তৰত প্ৰেম উপজে—

'আঃমই গদ্য়ুমা মুতিয়াই তুঃয়ুমা,
আংকৌঃ লগ্নী অচিন' দাগ্য়ুম্ কাঃয়ুমা।'

**ভাৱাৰ্থঃ** তুমি ধান দাই থকা চাই ভাল লগা
এবুকু পানীত ধান দোৱা দৃশ্য তাতোকৈ মনোৰম।[১৫]

কৃষিজীবি মিচিং সমাজখনে অতি পৰিশ্ৰমেৰে পথাৰত খেতিবাতি কৰি জীৱন নিৰ্বাহ কৰে। কিন্তু সৰহভাগ মিচিং গাওঁৰে নৈৰ কাষত হোৱা বাবে বছৰি বানৰ পানীয়ে খেতি নষ্ট কৰে। সেইবোৰক লৈও মিচিং স্বভাৱ শিল্পীয়ে গীত ৰচনা কৰে।

১৪। সংবাদদাতা ঃ পেগু, অমিয় কুমাৰ, ঢকুৱাখানা।
১৫। পূৰ্বোক্ত সংবাদদাতা।

(১) আম্‌ৰ আৰৃগ ইতাগাই

আচ্চী বিদ্‌য়ুদ বম্‌কাবং

অইনম আইপী মীঃতুঙাই

আম্মে য়াদ্‌পাক বম্‌কাঃবং।।

**ভাৱাৰ্থঃ** আহু খেতি কৰিছিলো, পানীয়ে উটুৱাই নিলে

তোমাকে মই ভাল পাইছিলো, আনে ফুচুলাই নিলে।

(২) দৃইয়ী আংকিৰ দৃলৃগ্‌লা,

দৃগৃন চৃকৃৰ জিন্‌লৃগলা

আঃম আৰৃগ ইগীঃলা

মীঃমা চাক্‌মাঃপী দপীবং।।

**ভাৱাৰ্থঃ** জহ কালি কপালৰ ঘাম পেলাই, শীতৰ হাৰ কপোঁৱা জাৰ সহি

খেতি কৰিছো, নিচিন্তভাৱে খাম বুলি। [১৬]

অসমৰ প্ৰাকৃতিক সম্পদ সমূহৰ ভিতৰত লেখত লব লগীয়া লাগতীয়াল গছ শিমলু জুপিৰ লগত মিচিং জনগোষ্ঠীৰ সাংস্কৃতিক সম্বন্ধ অতি ওচৰৰ। ফাগুণ আহে, শিমলুবোৰ ফুলি আকাশত ৰঙা ৰঙেৰে ৰঙীণ কৰি তোলে জন-জীৱনৰ মন প্ৰাণ। তাৰ লগে লগে অতি মৰমৰ আলি-আঃয়ে লৃগাং আহে —

‘গৃন্‌মুৰ পঃল আঃদুঃবং

চিঙগি আপপুন পুনদুঃবং

গুম্‌ৰাগ্‌ পাক্‌চং চঃদুঃবং

ৰঙ্‌কিয়াই ৰঙাদ্‌লা আচিনাং অদুঃবং

**ভাৱাৰ্থঃ** ফাগুণ আহিল, শিমলু ফুলিল

গুম্‌ৰাগ্‌ নাচ নাচিব ধৰিছে ডেকা-গাভৰুহঁতে।

এনে সময়ত তোমালৈ বৰকৈ মনত পৰিছে।

---

১৬। সংবাদদাতা ঃ দলে, দিলীপ, গুৱাহাটী।

অসম প্ৰাকৃতিক সম্পদত চহকী ৰাজ্য। প্ৰকৃতিৰ সন্তান হিচাপে মিচিং সকলে ইয়াৰ হাবি-বন, বনৰীয়া জীৱ-জন্তু, পশু-পক্ষী আটাইবোৰৰ প্ৰভাৱত তেওঁলোকৰ জন-জীৱন প্ৰাণোচ্ছল হৈ উঠে। সেইদৰে নদী মাতৃক অসমৰ নদ-নদীসমূহৰ লগত জলচৰ জীৱ আৰু জলচৰ উদ্ভিদসমূহেও অসমবাসীৰ সাংস্কৃতিক জীৱন মুখৰ কৰি ৰাখিছে। মিচিং মানুহৰ খাদ্যাভাসত প্ৰধানভাৱে অন্তৰ্ভূক্ত হোৱা জলজ জীৱ হৈছে মাছ। নদী বিলত মাছ মাৰিবলৈ ব্যৱহাৰ কৰা জাকৈ, পল, চেঁপা, জুলুকি, উভতি, ঠুঁহা ইত্যাদিৰ মাজত কৃষকৰ শিল্পীসুলভ মননশীলতাৰ প্ৰতিফলন ঘটে।

দৃহ আচি তৗদুংকু
ৰাঃচাগ্ পৰাং তদুংকু;
নম্মৗ বৃক্চু কামাঃলা
আইপৗ আচিন্ অদুংকু
দিঙৰাঃমাং পৰাঙৗ
ঙক্কৗপ্ বিমাং ঔৰঙৗ

**ভাৱাৰ্থঃ** নৈ পানী বাঢ়িলে, উজানো উঠিলে, ঠুহা, উভতিৰে মাছ ধৰিছে,
বহুত দিন তোমাক নেদেখাৰ বাবে, তোলৈ বহুত মনত পৰিছে।
কিন্তু হায় মোলৈ তোমাক ঘৰৰ মানুহে দিবৰ নাই মন।[১৭]

মিচিং অই নিঃতমবোৰত বিষাদ গাঁথা লক্ষ্য কৰিলেও, মুখ্যত আনন্দ আৰু স্বাচ্ছন্দ্যৰো সংমিশ্ৰণ লক্ষ্য কৰা যায়। নদীৰ পাৰৰ দৰে, প্ৰকৃতিৰ মধুৰ পৰিৱেশত তেওঁলোকে লাভ কৰে সীমাহীন শান্তি আৰু বিপুল আনন্দ। নিজৰ দুখ-বেদনাৰ বাবে নিজৰ কপালকেই দোষ দি জীৱনৰ অন্তহীন দুখ-যন্ত্ৰণা আৰু বিষাদ বেদনাক গীতৰ জৰিয়তে অভিব্যঞ্জন কৰি সাময়িকভাৱে দুখৰ পৰা আত্মমুক্তি লাভ কৰিবলৈ যত্ন কৰে।

১৭। পূৰ্বোক্ত সংবাদদাতা।